NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-07-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ইন্দোৰত **মাতৃৰ নামত এজোপা গছ** অভিযান আৰম্ভ কৰে।

২। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কৈছে যে ভাৰতৰ উন্নয়ন আৰু আধুনিকীকৰণৰ ক্ষেত্ৰত বিদেশত বাস কৰা ভাৰতীয়সকলৰ যথেষ্ট গুৰুত্ব আছে।

৩। ওড়িশাৰ পুৰীৰ ভগৱান জগন্নাথ মন্দিৰৰ ৰত্ন ভাণ্ডাৰৰ সকলো দ্বাৰ আজি বিয়লি মুকলি কৰা হয়।

৪। আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পক যোৱা নিশা এখন নিৰ্বাচনী সভাত কৰা আক্ৰমণৰ ঘটনাক সমগ্ৰ বিশ্বৰ নেতাসকলে গৰিহণা দিছে।

***আৰু***

৫। ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাৰ অন্তিমখন খেলত ভাৰতে আজি জিম্বাব'ৱেক জয়ৰ বাবে ১৬৮ ৰান লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ইন্দোৰত **মাতৃৰ নামত এজোপা গছ** অভিযান আৰম্ভ কৰে। এই অভিযানৰ জৰিয়তে ইন্দোৰত একেদিনাই ১১ লাখ গছপুলি ৰোপণ কৰা হয়। এয়া হৈছে একেদিনাই একোটা অঞ্চলত গছপুলি ৰোপণৰ বিশ্ব অভিলেখ। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে, ইন্দোৰ শেহতীয়াকৈ এখন সেউজ মহানগৰ হোৱাৰ সমান্তৰালকৈ এখন পৰিষ্কাৰ মহানগৰ হিচাপেও পৰিচিত হৈছে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ প্ৰজন্মক এটা ভাল পৰিৱেশ প্ৰদানৰ আহ্বান জনাইছে। সেয়ে সমগ্ৰ দেশতে প্ৰদূষণৰ মাত্ৰা হ্ৰাস কৰাৰ বাবে ২০২৫ চনৰ ভিতৰত পেট্ৰ'লত ২০ শতাংশ ইথানল মিহলি কৰাৰ সিদ্ধান্ত লোৱা হৈছে। চৰকাৰে জলবায়ু পৰিৱৰ্তনৰ পুঁজি আৰম্ভ কৰা বুলিও গৃহমন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমগ্ৰ দেশৰ ভিতৰত প্ৰথমবাৰৰ বাবে গুজৰাটত পৰিৱেশ বিভাগ স্থাপন কৰিছে। মধ্যপ্ৰদেশ সমগ্ৰ দেশৰে হাওঁফাওঁ বুলি উল্লেখ কৰি গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে, মধ্যপ্ৰদেশৰ ৩১ শতাংশই হৈছে বনাঞ্চল। এই বনাঞ্চল সমগ্ৰ দেশৰ মুঠ বনাঞ্চলৰ ১২ শতাংশ। সেয়ে শেহতীয়াকৈ মধ্যপ্ৰদেশে পৰ্যটনৰ ক্ষেত্ৰত এক নতুন মাত্ৰা লাভ কৰিছে। এই অনুষ্ঠানত মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱৰ লগতে কেবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী আৰু সাংসদ উপস্থিত থাকে।

০০০০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কৈছে যে ভাৰতৰ উন্নয়ন আৰু আধুনিকীকৰণৰ ক্ষেত্ৰত বিদেশত বাস কৰা ভাৰতীয়সকলৰ যথেষ্ট গুৰুত্ব আছে। মস্কোত ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলক সম্বোধন কৰি দিয়া ভাষণ প্ৰসংগত তেওঁ কয় যে, দুয়োখন দেশৰ পাৰস্পৰিক সম্পৰ্ক বৃদ্ধিৰ ক্ষেত্ৰত প্ৰবাসী ভাৰতীয়সকলে বিশেষ ভূমিকা ল'ব পাৰে। ৰাছিয়াত বাস কৰা ভাৰতীয় লোকসকলৰ অৱদান আৰু কৃতিত্বৰ জৰিয়তে ৰাছিয়াত ভাৰতৰ এক বিশেষ ভাৱমূৰ্তি গঢ়ি উঠিছে। ভাৰত আৰু ৰাছিয়াৰ সম্পৰ্কৰ কথা উল্লেখ কৰি ওম বিৰলাই কয় যে, দুয়োখন দেশৰ পাৰস্পৰিক বিশ্বাস আৰু সন্মানৰ বাবে প্ৰত্যাহ্বানৰ সময়তো দুয়োখন দেশে ইখনে সিখনক সমৰ্থন কৰি আহিছে। উল্লেখযোগ্য যে, ১২ জুলাইত সমাপ্ত হোৱা দশম ব্ৰিকছ্ সংসদীয় মঞ্চত ভাৰতৰ সংসদীয় প্ৰতিনিধি হিচাপে ওম বিৰলা উপস্থিত আছিল।

০০০০০০০০

ওড়িশাৰ পুৰীৰ ভগৱান জগন্নাথ মন্দিৰৰ ৰত্ন ভাণ্ডাৰৰ সকলো দ্বাৰ আজি বিয়লি মুকলি কৰা হয়। এটা বিশেষ গোটে ৰত্ন ভাণ্ডাৰ মুকলি কৰে। উল্লেখযোগ্য যে ১৯৮৫ চনত অন্তিমবাৰৰ বাবে এই ভাণ্ডাৰ মুকলি কৰা হৈছিল। ৰাজ্য চৰকাৰে জাৰি কৰা মানসম্পন্ন পৰিচালনা বিধি অনুসৰি ৰত্ন ভাণ্ডাৰ মুকলি কৰা হয়। ৰত্ন ভাণ্ডাৰ মুকলি কৰাৰ সমগ্ৰ প্ৰক্ৰিয়াৰ ভিডিঅ' ৰেকৰ্ডিং কৰা হয়। শ্ৰী জগন্নাথ মন্দিৰৰ আ-অলংকাৰসমূহ থকা বিশেষ বাকচসমূহ ৰখাৰ বাবে এটা অস্থায়ী কোঠাত কটকটীয়া নিৰাপত্তা ব্যৱস্থা কৰা হৈছে। ৰত্ন ভাণ্ডাৰৰ বিস্তৃত সূচী প্ৰস্তুত কৰা হ'ব। উল্লেখযোগ্য যে ১২শ শতিকাৰ জগন্নাথ মন্দিৰৰ ৰত্ন ভাণ্ডাৰৰ গৰ্ভগৃহ, হীৰা, সোণ তথা বহুমূলীয়া ৰত্নকে ধৰি বহু আপুৰুগীয়া অলংকাৰেৰে সমৃদ্ধ হৈ আছে। কেইবা শতিকাজুৰি ভক্তসকলে দান কৰা এই সম্পদসমূহ সযতনে সংৰক্ষণ কৰি ৰখা হৈছে।

০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পক যোৱা নিশা পেঞ্চেলভেনিয়াৰ এখন নিৰ্বাচনী সভাত কৰা আক্ৰমণৰ ঘটনাক সমগ্ৰ বিশ্বৰ নেতাসকলে গৰিহণা দিছে। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে এই আক্ৰমণৰ ঘটনাক গৰিহণা দিয়াৰ লগতে প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীৰ আশু-আৰোগ্য কামনা কৰে। আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছে এই ঘটনাত আচৰ্য প্ৰকাশ কৰিছে। তেওঁ কয় যে আমেৰিকাত এনেধৰণৰ হিংসাক কেতিয়াও পশ্ৰয় দিয়া নহয়। সকলোৱে এই ঘটনাক নিন্দা কৰা উচিত। আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি বাৰাক অ'বামাই কয় যে আমেৰিকাৰ গণতন্ত্ৰত কেতিয়াও ৰাজনৈতিক হিংসাৰ স্থান নাই। ইংলেণ্ডৰ প্ৰধানমন্ত্ৰী কিয়েৰ ষ্টাৰমাৰে সামাজিক মাধ্যম এক্সৰ এটা বাৰ্তাত কয় যে, আমাৰ সমাজত ৰাজনৈতিক হিংসাৰ কেতিয়াও স্থান নাছিল আৰু ভৱিষ্যতলৈও নাথাকে। কেৱল এয়াই নহয় সমগ্ৰ বিশ্বৰে শীৰ্ষ নেতাসকলে এই আক্ৰমণৰ ঘটনাক গৰিহণা দি সামাজিক মাধ্যমত বাৰ্তা প্ৰেৰণ কৰিছে। উল্লেখযোগ্য যে এই গুলীচালনাৰ ঘটনাত জড়িত এটা দুৰ্বিত্তক সুৰক্ষা কৰ্মীয়ে গুলিয়াই নিহত কৰে। এই ঘটনাত অন্য এজন ব্যক্তি নিহত হয় আৰু আন এজন আহত হয়।০

০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি ইণ্ডোৰৰ পৰা মধ্যপ্ৰদেশৰ ৫৫ খন জিলাত প্ৰধানমন্ত্ৰী উৎকৰ্ষতা মহাবিদ্যালয় মুকলি কৰে। মুখ্যমন্ত্ৰী ড০ মোহন য়াদৱো অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানত ভাষণ প্ৰসংগত শ্ৰী শ্বাহে দৃঢ়তাৰে কয় যে নতুন শিক্ষানীতিয়ে সমাগত ২৫ বছৰত ভাৰতীয় শিক্ষাৰ্থীসকলক গোলকীয়ভাৱে প্ৰতিযোগিতাত

অৱতীৰ্ণ হ'বলৈ সাজু কৰি তোলাৰ লগতে তেওঁলোকক আমাৰ ঐশ্বৰ্যশালী সাংস্কৃতিক ঐতিহ্য তথা ভাষাৰ সংপৃক্ত কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে লগতে কয় যে, মধ্যপ্ৰদেশৰ ৫৫খন জিলাত প্ৰধানমন্ত্ৰী উৎকৰ্যতা মহাবিদ্যলায় স্থাপনৰ লক্ষ্য হৈছে শিক্ষাৰ্থীসকললৈ উত্তম আৰু উচ্চ মানসম্পন্ন শিক্ষা আগবঢ়োৱা। শ্ৰী শ্বাহে নতুন শিক্ষানীতি ৰূপায়ণ কৰা প্ৰথমখন ৰাজ্য হিচাপে তথা হিন্দী ভাষাত চিকিৎসা আৰু আভিযান্ত্ৰিক শিক্ষাৰ ব্যৱস্থা কৰাৰ জৰিয়তে আৰ্থিকভাৱে অনগ্ৰসৰ পৰিয়ালৰ শিশুসকলক উপকৃত কৰাৰ বাবে মধ্যপ্ৰদেশক প্ৰশংসা কৰে।

oooooooo

সংসদীয় পৰিক্ৰমা তথা সংখ্যালঘূ পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তৃতীয় কাৰ্যকালৰ সময়ছোৱাত গ্ৰহণ কৰা উন্নয়নৰ প্ৰচেষ্টা তিনিগুণ পৰ্যন্ত ত্বৰান্বিত কৰাৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি লাডাখৰ বাবে উন্নয়নমূলক পৰিকল্পনা গ্ৰহণ কৰিছে। টি এফ চি কাৰ্গিলত ৰাষ্ট্ৰীয় সংসালঘূ উন্নয়ন তথা বিত্ত  নিগম এন এম ডি এফ চিৰ হিতাধিকাৰীৰ সৈতে মত বিনিময় অনুষ্ঠানত শ্ৰী ৰিজিজুৱে অঞ্চলটোত সংখ্যালঘূসকলৰ আৰ্থসামিজিক অৱস্থা উন্নত কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপৰ ওপৰত আলোকপাত কৰে। মন্ত্ৰীগৰাকীয়ে কাৰ্গিলত সংখ্যালঘূ সম্প্ৰদায়ৰ সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ তথা সংবৰ্ধন কৰাৰ উদ্দেশ্যে পৰিকল্পিত এটা সাংস্কৃতিক কেন্দ্ৰ স্থাপনৰ বিষয়ে ঘোষণা কৰে। এই কেন্দ্ৰটো শৈক্ষিক আৰু সাংস্কৃতিক সমৰ্থন আগবঢ়োৱাৰ জৰিয়তে এখন শৈক্ষিক প্ৰতিষ্ঠানৰ সহযোগিতাৰে বিকাশ কৰা হ'ব। তদুপৰি এই অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে লাডাখৰ এছ আই ডি চি অ'ৰ মহাপ্ৰবন্ধক ছফদাৰ আলীলৈ ১০ কোটি টকা মঞ্জুৰী পত্ৰ আগবঢ়ায়। মন্ত্ৰীগৰাকীয়ে লাডাখৰ বিকাশৰ প্ৰতি তেওঁৰ ব্যক্তিগত প্ৰতিশ্ৰুতি বদ্ধতা প্ৰকাশ কৰি এন এম ডি এফ চি আঁচনিসমূহৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে সম্প্ৰদায়টোৰ পৰমৰ্শ তথা দাবীসমূহ বিবেচনা কৰা হ'ব বুলি আশ্বাস দিয়াৰ লগতে পৰৱৰ্তী ভ্ৰমণৰ সময়ত কাৰ্গিলৰ বাবে বিশেষ পেকেজ ঘোষণাৰ প্ৰস্তুতি চলোৱা হৈছে বুলি সদৰি কৰে।

oooooooo

বিমান পৰিবহণ ৰাজ্য মন্ত্ৰী মুৰুলীধৰ মোহলে আজি কয় যে, বিগত ১০ বছৰত ভাৰতৰ বিমান পৰিবহন খণ্ডত ব্যাপক প্ৰগতি সাধিত হোৱাৰ লগতে এই খণ্ড গোলকীয়ভাৱে তৃতীয় স্থান উপনীত হৈছে। পুনেৰ লহগাঁও বিমান বন্দৰত নৱনিৰ্মিত টাৰ্মিনেল যাত্ৰীসকলৰ বাবে মুকলি কৰি আজি তেওঁ ভাষণ প্ৰসংগত এই কথা প্ৰকাশ কৰে। শ্ৰী মোহলে লগতে কয় যে, বিগত ১০ বছৰত দেশত ৪৬৯টা নতুন বিমানপথ মুকলি হোৱাৰ লগতে দিল্লী, বাংগালুৰু তথা অযোধ্যাৰ দৰে বিমান বন্দৰত নতুন টাৰ্মিনেল নিৰ্মাণ কৰা হৈছে। তেওঁ লগতে শীঘ্ৰে দেশত ২০ৰ পৰা ২৫ টা নতুন বিমান বন্দৰ নিৰ্মাণ কৰা হ'ব বুলি সদৰী কৰে। উল্লেখযোগ্য যে পুনে বিমান বন্দৰৰ নতুন টাৰ্মিনেলত প্ৰতি বছৰে প্ৰায় এক কোটি যাত্ৰীয়ে আহ-যাহ কৰিব পৰা ব্যৱস্থা ৰখা হৈছে। এই টাৰ্মিনেল যোৱা ১০ মাৰ্চত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিছিল। অসম্পূৰ্ণ হৈ থকা কামকাজসমূহ সম্পূৰ্ণ কৰাৰ অন্তত টাৰ্মিনেলটো যাত্ৰীসকলৰ বাবে আজি মুকলি কৰি দিয়া হয়।

oooooooo

জিম্বাব'ৱেৰ হাৰাৰে ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাৰ অন্তিমখন খেলত ভাৰতে আজি জিম্বাব'ৱেক জয়ৰ বাবে ১৬৮ ৰান লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। টছত জয়লাভ কৰি জিম্বাব'ৱেই ভাৰতক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৬৭ ৰান

সংগ্ৰহ কৰে। ভাৰতৰ হৈ সঞ্জু ছেমছনে ৪৫ টা বলত সৰ্বাধিক ৫৮ ৰান সংগ্ৰহ কৰে। ৰিয়ান পৰাগে ২৪টা বলত ২২ ৰান আৰু শিৱমডুবেই ১২ টা ২৬ ৰান সংগ্ৰহ কৰে। জিম্বাব্'ৱেৰ হৈ মুজাৰবানীয়ে দুটা উইকেট দখল কৰে। বাতৰি যুগুটোৱাৰ পৰলৈকে জিম্বাব্'ৱে নিৰ্ধাৰিত লক্ষ্য অনুসৰণ কৰি ১০ অভাৰত ৩ টা উইকেট হেৰুৱাই ৭১ ৰান সংগ্ৰহ কৰি খেলি আছে। উল্লেখযোগ্য যে পাঁচখনীয়া শৃংখলাটোত ভাৰতে ইতিমধ্যে তিনিখন খেলত জয়লাভ কৰি শৃংখলা হস্তগত কৰিছে। চতুৰ্থখন মেচত কালি ভাৰতে জিম্বাব্'ৱেক ১০ উইকেটত পৰাস্ত কৰিছিল।

০০০০০০০০

সমাপ্ত